

# জৱাহৰ জ্যোতি

## বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ আলোচনী

চতুৰ্দশ সংখ্যা ঃ

তত্বাৰধায়ক
অধ্যাপক কমলেশ্বৰ ঠাকুৰীয়া

সম্পাদক
শ্ৰীগণেশ চন্দ্ৰ বড়ো

## সম্পাদনা সমিতি ঃ

অধ্যক্ষ যতীন্দ্র চন্দ্র নাথ, সভাপতি
অধ্যাপক বসন্ত কুমাৰ দত্ত, উপ-সভাপতি
অধ্যাপক কমলেশ্বৰ ঠাকুৰীয়া, তত্বাৱধায়ক
অধ্যাপক মৃগেন্দ্ৰ কুমাৰ শৰ্মা, সদস্য
অধ্যাপক যুগলকিশোৰ নাথ, সদস্য
গণেশ বড়ো, সম্পাদক
খৰ্গেশ্বৰ ৰাভা ( সাধাৰণ সম্পাদক )
ছাত্ৰ সদস্য, ছাত্ৰ একতা সভা

বেটুপাত শিল্পী ঃ অধ্যাপক কমলেশ্বৰ ঠাকুৰীয়া

অঙ্গসজ্জা ঃ সম্পাদক, তত্বাৱধায়ক

আলোক চিত্ৰ ঃ ষ্টুডিঅ' ৰূপা, বকো

ছপা ঃ জনতা প্ৰেছ, মির্জা

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ইং ১৯৯১-৯২ চনৰ ছাত্ৰ একতা সভাৰ হৈ শ্ৰীগণেশ চন্দ্ৰ বড়োৰ দ্বাৰা প্ৰকাশিত আৰু জনতা প্ৰেছ ( মির্জা )ত মুদ্ৰিত ।

# অশ্ৰু অঞ্জলি



## আমাৰ মাজত যি সকল আৰু নাই ঃ

বিশ্ববিশ্ৰুত চিত্ৰ নিৰ্মাতা সত্যজিৎ ৰায়, সিংহলৰ প্ৰধানমন্ত্ৰী ৰাণাসিংহে প্ৰেমদাসা, চিত্ৰাভিনেত্ৰী দিব্য ভাৰতী, দেশৰ বিভিন্ন প্ৰান্তত হিংসাৰ বলি হৈ মৃত্যু বৰণ কৰা খ্যাত-অখ্যাত লোকসকল আৰু মহাবিদ্যালয়ৰ ছাত্ৰ দুলাল পাঠকৰ অকাল বিয়োগত আমি গভীৰ শোক প্ৰকাশ কৰি অশ্ৰু অঞ্জলি যাচিছোঁ আৰু তেখেতসকলৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ ।

কৰ্মব্যস্ততাৰ এটি মুহূৰ্তত



অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ

# বিষয়সূচী


| ঃ বিষয় ঃ | ঃ পৃষ্ঠা ঃ | ঃ লেখক ঃ |
|---|---|---|
| সম্পাদকীয় --- | | |
| ।। কবিতা ।। | | |
| অনাবৃত বহাগ | ১ | ললিত চন্দ্ৰ ৰাভা |
| যন্ত্ৰণা | ২ | অৰুণ চন্দ্ৰ বড়ো |
| আমাৰ স্বাধীনতা | ৩ | সত্যজিৎ কলিতা |
| মোৰ মন | ৩ | ধনঞ্জয় তালুকদাৰ |
| তেজাল ঘোঁৰা | ৪ | নৃপেন কুমাৰ বড়ো |
| বিপন্ন দিনৰ চৰম ক্ষণতো | ৪ | ৰণিত ৰাভা |
| মহাকাল | ৫ | জগদীশ কুমাৰ ৰাভা |
| নিজম বাঁহীৰ সুৰ | ৫ | বদন দাস |
| অভিযাত্ৰী | ৬ | প্ৰভা কলিতা |
| মানৱ স্বত্ব | ৬ | সবিন কুমাৰ বৈশ্য |
| কাৰ বাবে | ৭ | অপূৰ্ব্ব কুমাৰ দাস |
| প্ৰলয় ধুমুহা | ৭ | নিৰঞ্জন মজুমদাৰ |
| প্ৰতিজ্ঞা | ৮ | বাসৱ ঠাকুৰীয়া |
| মানুহবোৰ কাঁইটীয়া কেকটাচ | ৮ | বিজয় কুমাৰ নাথ |
| ভঙা বুকুৰ কলিজা | ৯ | হেমন্ত কুমাৰ ৰাভা |
| মৰা কলহীৰ প্ৰতি | ১০ | ...দুল বাৰিক আল-আমান |
| শলিতাৰ ৰঙা শিখা নুমাই যোৱা নাই | ১১ | ...না কলিতা |
| বৈৰী বিভৱ | ১১ | বসন্ত কুমাৰ দত্ত |
| প্ৰেম | ১২ | ললিত চন্দ্ৰ ৰাভা |
| ডাষ্টবিন | ১৪ | সুৰজিৎ কাকতি |
| ডাষ্টবিন | ১৫ | নীলিম দত্ত |
| ডাষ্টবিন | ১৬ | বিমল কুমাৰ তামুলী |

|| বিষয় || || পৃষ্ঠা || || লেখক ||

## || প্ৰবন্ধ ||


| বিষয় | পৃষ্ঠা | লেখক |
|---|---|---|
| শৰতৰ কবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত | ১৭ | খৰ্গেশ্বৰ ৰাভা |
| জনপ্ৰিয় লঘু শাস্ত্ৰীয় সংগীত গজল | ২০ | জ্যোতিকণা দেৱী |
| বৰ্ত্তমান আৰু ইতিহাসৰ পটভূমিত ছমৰীয়া সত্ৰ | ২৩ | প্ৰণৱ বৈশ্য |
| বহুৰঙী ৰাভা লোকগীতত প্ৰেম আৰু ইয়াৰ ওপৰত বিহুগীতৰ প্ৰভাৱ | ২৬ | দিগন্ত কুমাৰ ৰাভা |
| পূজা-পাৰ্বনত লোক-সংস্কৃতিৰ প্ৰভাৱ | ৩০ | অধ্যাপক ভৱেশ চন্দ্ৰ গোস্বামী |
| মান্দানিৰবা : ছবি জগতত মোৰ প্ৰথম পদক্ষেপ | ৩৪ | নমিতা ৰাভা |
| অৰুণাচলত এভুমুকি [ ভ্ৰমণ ] | ৩৮ | ললিত চন্দ্ৰ বড়ো |
| বাৰ্চিলোনা '৯২ [ অলিম্পিক ] | ৪৩ | গণেশ চন্দ্ৰ বড়ো |
| অসমীয়া লোক সাহিত্যত আইনাম : এটি দৃষ্টিপাত | ৪৭ | ক্ষীৰদা মালী |


## || গল্প ||


| বিষয় | পৃষ্ঠা | লেখক |
|---|---|---|
| বাহুলি | ৫১ | ললিত চন্দ্ৰ ৰাভা |
| বালিঘৰ | ৫৬ | তুলিকা বড়ো |
| পৰিণাম | ৫৯ | ধনঞ্জয় তালুকদাৰ |
| বিভাগীয় সম্পাদকৰ প্ৰতিবেদন | ৬২ | |
| মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল | ৭১ | |


—:□:—

# সম্পাদকীয়



## উশৃঙ্খল যুৱ-মানসিকতা ঃ

আজিৰ যুৱক কাইলৈৰ নাগৰিক। সাধাৰণ নাগৰিক কিন্তু আজি অসমৰ যুৱ-মানসিকতাক লৈ ভীষণ উদ্বিগ্ন। বন্ধনহীন উশৃঙ্খল, ক্ৰমবৰ্দ্ধমান অসমীয়া যুৱ-সমাজৰ ভূমিকা মুঠেই আশাব্যঞ্জক নহয়। চিনেমা, টি-ভি, কেবল টি-ভি, ভি-ডি-অ, ভি-চি-আৰ, ভি-চি-পিৰ বিকৃত সংস্কৃতিয়ে আকণ্ঠ নিমজ্জিত কৰিছে যুৱ-সমাজক। ফলস্বৰূপে ড্ৰাগছ, চোৰ-ডকাইতি, হত্যাকাণ্ডৰ দৰে ঘৃণনীয় কাৰ্যৰ লগত জড়িত হৈ পৰিছে স্কুলৰ ফুলকুমলীয়া ছাত্ৰ-ছাত্ৰীৰ পৰা বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ। এচাম যুৱকে এহাতে তুলি লৈছে অস্ত্ৰ, আনহাতে আইন। ক্ষমতাত অধিষ্ঠিত সকলেও যেন সন্ত্ৰাসৰ বাহিৰে আন ভাষা বুজিবলৈ চেষ্টা নকৰে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চৰম উৎকৰ্ষেৰে একবিংশ শতিকালৈ ধাৱমান হোৱা বিশ্বত অসমীয়া সমাজ জীৱনৰ আজি এই অৱক্ষয়।

প্ৰখ্যাত ৰাজনীতিবিদ, ইতিহাসপ্ৰিয় কবি দেৱকান্ত বৰুৱাই এটি সাক্ষাৎকাৰত কৈছে যে,— অসমৰ এচাম যুৱকে অস্ত্ৰ তুলি লৈছে, যুৱ-মানসিকতাৰ স্খলন ঘটিছে যদিও ই কোনো বিশেষ ব্যতিক্ৰম নহয়। আজি পৃথিৱীৰ প্ৰায়বোৰ দেশতে অসমৰ দৰে পৰিস্থিতিৰ উদ্ভৱ হৈছে। গতিকে অসমৰ জনজীৱনো এনেদৰেই চলিব।

যুদ্ধ-গৃহযুদ্ধই ইৰাণ-ইৰাক, লেবানন, মিচৰ, আফগানিস্থান, চোমালিয়া, ইথিওপি 'দি দেশৰ জনজীৱন কৰি তুলিছে বিপৰ্যস্ত। যুদ্ধ-বিধ্বস্ত এই দেশ...ৰ জনসাধাৰণে তাৰ মাজতে গতানুগতিক জীৱন-যাপন কৰাৰ অভিনৱ প্ৰচেষ্টা চলাইছে। ভাৰতবৰ্ষতো আজি মন্দিৰ-মছজিদ, পঞ্জাৱ, কাশ্মীৰ, ক্ষুদ্ৰ গোষ্ঠীৰ আত্মনিয়ন্ত্ৰণৰ অভিলাষে দেশৰ বাতাবৰণ অশান্ত কৰি তুলিছে। সেই বুলিয়ে দেশৰ প্ৰগতি স্থবিৰ হৈ ৰ'ব এনে কথা হ'ব নোৱাৰে। এইবোৰৰ লগত সহাৱস্থান কৰি জাতীয় জীৱনৰ উত্তৰণ ঘটাব লাগিব।

## পৰীক্ষাগৃহত নকল ঃ

পৰীক্ষাত নকল বৰ্তমান ছাত্ৰ সমাজৰ এক ভয়াবহ ব্যাধি বুলি পৰিগণিত হৈ আহিছে। অৱশ্যে ই এটা নতুন কথা নহয়; পুৰণি প্ৰথা। অসমত ১৯৭৫ চনত মহাবিদ্যালয়ৰ শিক্ষকসকলৰ ধৰ্মঘটক লৈ ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষা বৰ্জন কৰিছিল। চৰকাৰী বিষয়াৰ উদ্যোগত সেই বছৰ পৰীক্ষা পৰিচালিত হৈছিল। তেতিয়াই পৰীক্ষাৰ্থীয়ে মুকলিমূৰীয়াকৈ নকল কৰাৰ প্ৰৱণতা লাভ কৰে। বিদেশী খেদা আন্দোলনৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়া-শুনাত ব্যাপকৰূপে ব্যাঘাত ঘটিছিল। সেই সময়ত পৰীক্ষাৰ্থীয়ে নকল কৰাৰ অবাধ সুযোগ লাভ কৰিছিল। বৰ্তমান অসমৰ শিক্ষাবিভাগটোৱেই সকলোতকৈ দুৰ্নীতিগ্ৰস্ত অনুষ্ঠান বুলি খ্যাতি লাভ কৰিছে। টকা আৰু ৰাজনীতিৰ প্ৰভাৱত অধে-মধে শিক্ষক নিযুক্তি, পৰ্য্যাপ্ত পৰিমাণৰ পাঠ্যপুথিৰ অভাৱ, শিক্ষানুষ্ঠানত পাঠদান অসম্পূৰ্ণ হৈ থকা, কম আয়াসতে সফলতা লাভ কৰাৰ প্ৰৱণতা আদিয়েই হ'ল নকল কাৰ্যৰ মূল কাৰণ। তদুপৰি এচাম আদৰ্শবান ছাত্ৰ-ছাত্ৰীয়ে শ্ৰম আৰু ধৈৰ্য্যেৰে পঢ়া-শুনা কৰি সফলতা লাভ কৰিলেও চাকৰি-বাকৰি প্ৰাপ্তিৰ সময়ত হাতদীঘল ব্যক্তি আৰু ধনৰ প্ৰভাৱে এইসকল ন্যায়পৰায়ণ ছাত্ৰ-ছাত্ৰীক সদায়ে হতাশ কৰি আহিছে। কেতিয়াবা আকৌ একোখন পৰীক্ষাৰ বহী পুনৰ পৰীক্ষা কৰাই পোৱা ফলাফলে চকু কপালত উঠাইছে।

ভাৰতীয় আদৰ্শত গুৰু-শিষ্যৰ মধুৰ সম্পৰ্কৰ পৰম্পৰা অতি প্ৰাচীন। এতিয়া এই সম্পৰ্ক সম্পূৰ্ণৰূপে বিঘ্নিত হৈছে। পৰীক্ষাগৃহত শিক্ষকে পৰীক্ষাৰ্থীক চোৰৰ দৰে নিৰীক্ষণ কৰে; পৰীক্ষাৰ্থীয়ে অন্তৰ ভৰা ঘৃণাৰে পুলিচৰূপী শিক্ষকক ফাঁকি দিবলৈ চেষ্টা কৰে।

'যি দেশত মূৰ্খতাই হ'ল আদৰ্শ, মূৰ্খসকলেই হ'ল সমাজৰ দিকনিৰ্ণায়ক—তেনে দেশত ছাত্ৰ-ছাত্ৰীয়ে কিহৰ দোষত জ্ঞান অৰ্জনৰ প্ৰতি আগ্ৰহান্বিত হ'ব? যেনে-তেনে প্ৰকাৰে ডিগ্ৰীটো হ'লেই

যেতিয়া সকলো হয় কিহৰ দোৰত পঢ়ি-শুনি কষ্ট কৰিবলৈ যাব ?'
··'যিখন সমাজত বিশৃঙ্খলাকেই শৃঙ্খলা বুলি কোৱা হয়, ··যিখন দেশত জ্ঞানীক সন্মান কৰা নহয়, যিখন দেশত ধন আৰু দৈহিক শক্তিয়েই সমাজৰ পৰিচালক শক্তি হিচাপে পৰিগণিত হয়, যিখন দেশৰ সকলোবিলাক মানৱীয় প্ৰমূল্য সকলো স্তৰতে শ্মশানগামী হয়, তেনে এখন দেশত কেৱল ছাত্ৰ-ছাত্ৰীসকলক কেনেদৰে তপস্বী কৰি ৰাখিব পাৰি বাৰু ?'

পৰীক্ষাগৃহত নকল—এটা নতুন কথা নহয়। ভাৰতবৰ্ষৰ বিভিন্নপ্ৰান্তৰ শিক্ষানুষ্ঠানত নকল কাৰ্যক লৈ উদ্ভৱ হোৱা চমকপ্ৰদ অপ্ৰীতিকৰ ঘটনা প্ৰকাশ পায়ে থাকে। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী-সকলকে একমাত্ৰ দায়ী কৰাৰ মানসিকতা পৰিত্যাগ কৰি বৰ্তমান সমাজ ব্যৱস্থা, শিক্ষা-ব্যৱস্থা, শিক্ষক, অভিভাৱক সকলোৱে ইয়াৰ দায়িত্ব গ্ৰহণ কৰি বিকল্প ব্যৱস্থাৰ সন্ধান কৰিব লাগিব। জ্ঞান লাভ কৰাটো যে এটা অতি প্ৰয়োজনীয় কথা; জ্ঞান অবিহনে ব্যক্তি, দেশ আৰু জাতিৰ উন্নতি অসম্ভৱ—এই সত্য কথাটো ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী-সকলক উপলব্ধি কৰাব পাৰিব লাগিব।

**২১২৬ :**

'মৃত্যুওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য।'

মৃত্যু শিল্প হ'ব পাৰে তেতিয়াহে, যেতিয়া মৃত্যু হয় অৰ্থবহ। অবাঞ্ছিত, অৰ্থহীন মৃত্যু শিল্প হ'ব নোৱাৰে। এনে এক অবাঞ্ছিত, অৰ্থহীন মৃত্যুৰ অশুভ বাৰ্তাই পৃথিৱীৰ মানৱ জাতিক আজি শংকিত কৰি তুলিছে। জীৱজগতৰ ত 'ত মৃত্যু মুখ্যতঃ দুই প্ৰকাৰে হ'ব পাৰে—মানুহৰ কৃতকৰ্মৰ দ্বা আৰু প্ৰাকৃতিক দুৰ্যোগৰ দ্বাৰা। প্ৰথম প্ৰকাৰ মৃত্যু যিহেতু মানুহৰ কৰ্মৰ ওপৰত নিৰ্ভৰশীল, গতিকে ই অপ্ৰতিৰোধ্য নহয়; কিন্তু দ্বিতীয় প্ৰকাৰ মৃত্যুৰ পৰা সৰ্বতো প্ৰকাৰে মুক্তি লাভ কৰিব পৰা ক্ষমতা পূৰ্ণ অৰ্থত মানুহে অৰ্জন কৰিব পৰা নাই। পূৰ্বৰ ছোভিয়েত ৰাছিয়া আৰু আমেৰিকাৰ সহযোগপূৰ্ণ চুক্তি

আৰু সম্প্ৰতি ছোভিয়েত বাছিয়াৰ বিলুপ্তিৰ লগে লগে তৃতীয় বিশ্ব যুদ্ধৰ সম্ভাৱনাৰ অন্ত পৰিল। কিন্তু মানুহৰ অদূৰদৰ্শী কৃতকৰ্মই পৃথিৱীৰ আৱহাৱা কৰি তুলিছে বিষাক্তময়। পৃথিৱীৰ আৱৰণ স্বৰূপ ওজন স্তৰৰ অৱক্ষয়ৰ লগে লগে এই গ্ৰহটোৰ জীৱজগতৰ অপমৃত্যু আসন্ন হৈ পৰিছে। সুখৰ বিষয় ১৯৯২ চনৰ পাঁচ জুনত দক্ষিণ আমেৰিকাৰ ব্ৰাজিলৰ ৰিও দি জেনেইৰো ( Rio de Janeiro )ত অনুষ্ঠিত ভূ-শীৰ্ষ বা বসুন্ধৰা সন্মিলনে পুনৰ মানৱ জাতিৰ মাজত আশাৰ সঞ্চাৰ কৰিছে।

প্ৰাকৃতিক দুৰ্যোগ অপ্ৰতিৰোধ্য। পৃথিৱীৰ জন্মলগ্নৰ পৰাই বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হৈ আহিছে এই গ্ৰহটো। ভাৰতবৰ্ষই এশ ঊনাশীতম্ স্বাধীনতা দিৱস পালন কৰিব সেইদিনা; সেইদিনাই 'ছুইফ্‌ট-টাট্‌ল' নামৰ মহাকাশত বিচৰণ কৰি ফুৰা ধূমকেতু এটাই পৃথিৱীৰ বুকুত খুন্দা মাৰিব। নামি আহিব পৃথিৱীৰ বুকুলৈ ভয়াবহ তুষাৰ যুগ, য'ত জীৱজগত বুলি হয়তো এখন জগত নাথাকিবই।

আজিৰপৰা এশবছৰ পিছত মানুহ বুঢ়া নোহোৱাকৈয়ে মৃত্যুবৰণ কৰিব। মানুহ বুঢ়া নোহোৱা এই মহৌষধ আৱিষ্কাৰ কৰিব আজিৰ তৰুণ সকলেই। সঁচা কথা ২১২৬ চনৰ সেই দুৰ্ভগীয়া দিনটোলৈ আজিলৈ পৃথিৱীত জন্মগ্ৰহণ কৰা এজন মানুহো জীয়াই নাথাকে। কিন্তু উত্তৰ পুৰুষসকলৰ কল্যাণৰ কথা এতিয়াই চিন্তা কৰিব লাগিব। ইতিমধ্যে পৰমাণু বিস্ফোৰণেৰে ছুইফ্‌ট্‌ টাট্‌লৰ কক্ষপথ বিচ্যুত কৰিব পৰা যাব বুলি অনুমান কৰা হৈছে। পৃথিৱীৰ সকলো মানুহ ঐক্যবদ্ধ হৈ বৌদ্ধিক তথা আধ্যাত্মিক শক্তিক তৃণমূল পৰ্যায়লৈ ব্যৱহাৰ কৰাৰ সময় সমাগত। এনে অৱস্থাত আমি যদি বিবেকৰ দ্বাৰা পৰিচালিত হৈ ভুলপথ পৰিত্যাগ নকৰো, মানৱ সভ্যতাৰ যি সময়ত ঘটিব চৰম উত্তৰণ; সেই সময়ত আমি নামি যাম তললৈ আৰু তললৈ। □



বছৰেকীয়া বঁটা বিতৰণী সভাত ভাষণৰত অৱস্থাত
মুখ্য অতিথি ড° মহেশ চন্দ্ৰ ভূঞা,
কুল সচিৱ, গু, বি,



নিৰ্দিষ্ট বক্তা ড° বনমালী নাথ
ডাইৰেক্তৰ ( প্লেনিং এণ্ড ডেভেলোপমেণ্ট ), গু, বি,